জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৫/২০২০

# ৰাজ্যখনৰ সকলোবোৰ গৃহলৈ বিশুদ্ধ খোৱাপানী যোগানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি জল জীৱন অভিযান আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ পদক্ষেপ

**দিছপুৰ, ১৩ ফেব্ৰুৱাৰী ঃ** প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ জৰিয়তে গৃহ প্ৰদান আৰু সৌভাগ্য আঁচনিৰ জৰিয়তে আৱাসগৃহলৈ বিজুলী যোগান ধৰাৰ দৰে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি জল জীৱন অভিযানৰ জৰিয়তে ২০২৪ চনৰ ভিতৰত ৰাজ্যখনৰ সকলোবোৰ বাসগৃহলৈ খোৱাপানী যোগান ধৰাৰ বাবে লক্ষ্য স্থিৰ কৰিছে। কালি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত এখন বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নতুন বিত্তীয় বৰ্ষত ৰাজ্যখনত জল জীৱন অভিযান সফলতাৰে ৰূপায়ণৰ এক ব্যাপক আৰু সংঘবদ্ধ পৰিকল্পনা হাতত লোৱাৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগক নিৰ্দেশ দিয়ে।

উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশনাৰ ভিত্তিত জলশক্তি মন্ত্ৰালয়ে সকলো গৃহলৈ পাইপৰ জৰিয়তে পানী যোগানৰ বাবে জল জীৱন অভিযান ৰূপায়ণৰ পদক্ষেপৰ প্ৰতি আদৰণি জনাই মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সকলোবোৰ গৃহলৈ পাইপৰে পানী যোগান ধৰা আঁচনিখন সফলতাৰে ৰূপায়ণ কৰাৰ দিশত প্ৰতিশ্ৰুতিবদ্ধ।

উল্লেখ্য যে ২০১৯ চনৰ ১৫ আগষ্টত দেশত আৰম্ভ কৰা জল জীৱন অভিযান অহা মাৰ্চ মাহত ৰাজ্যখনত ৰূপায়ণ কৰা হ'ব। প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ১ কোটি জনতাক সামৰি সৰ্বমুঠ ২০ লাখ গৃহ এই অভিযানৰ জৰিয়তে সামৰি লোৱাৰ পদক্ষেপ লোৱা হৈছে। প্ৰাৰম্ভিকভাৱে ৯ হাজাৰ গাওঁ এই আঁচনিৰে সামৰি লোৱা হ'ব আৰু পৰৱৰ্তী পৰ্যায়ত ৰাজ্যখনৰ চুকে-কোণে আঁচনিখন সম্প্ৰসাৰণ কৰা হ'ব।

বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰীয়ে জল জীৱন আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ সকলোবোৰ গৃহলৈ বিশুদ্ধ খোৱাপানী যোগানৰ বাবে যাৱতীয় ব্যৱস্থা লোৱাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে বিশুদ্ধ খোৱাপানী হ'ল জনসাধাৰণৰ মৌলিক প্ৰয়োজন। মুখ্যমন্ত্ৰীয়ে পানীৰ পৰম্পৰাগত উৎস ব্যৱহাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগক নিৰ্দেশ দিয়ে। এই আঁচনিখন ৰূপায়ণৰ দিশত সংশ্লিষ্ট বিভাগসমূহৰ মাজত এক সমন্বয় স্থাপনৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে জলসম্পদ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ছায়েদিয়ান আব্বাছীক জনস্বাস্থ্য কাৰিকৰী বিভাগত বৰ্তমানে খালী হৈ থকা অভিযন্তাৰ পদ সমূহ পূৰণৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জল জীৱন অভিযান ৰূপায়ণৰ দিশত গাওঁ পঞ্চায়তসমূহৰ সৈতে সহযোগিতাৰে কাম কৰাৰ বাবেও নিৰ্দেশ দিয়ে যাতে তৃণমূল পৰ্যায়ৰ জনসাধাৰণ এই আঁচনিখনৰ জৰিয়তে লাভান্বিত হ'ব পাৰে। এই দিশত এছপাইৰেশ্বনেল জিলাসমূহক বিশেষ গুৰুত্ব আৰোপ কৰিলৈও মুখ্যমন্ত্ৰীয়ে কয়।

বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহন দৈমাৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ছায়েদিয়ান আব্বাছী, সচিব সিদ্ধাৰ্থ সিঙৰ লগতে জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**

১৩/০২/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in